দেশ

১০ লাখ টকা স্বাস্থ্য বীমা, ৫ লাখ টকালৈ দুর্ঘটনা বীমা: নতুন আঁচনি ঘোষণা ৰাহুল গান্ধীৰ

তেলেংগানাত গিগ কর্মীসকলৰ বাবে ১০ লাখ টকালৈ স্বাস্থ্য বীমা আৰু ৫ লাখ টকালৈ দুর্ঘটনা বীমাসহ নতুন সামাজিক সুৰক্ষা আঁচনিৰ শুভাৰম্ভ।

প্ৰকাশ: ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



Rahul Gandhi launches Telangana scheme for gig workers (Rahul Gandhi/facebook)

হায়দৰাবাদ, ১৪ নৱেম্বৰ: অনলাইন সামগ্ৰী যোগান ধৰা কৰ্মীকে ধৰি গিগ কৰ্মীসকলৰ সামাজিক আৰু আৰ্থিক

সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে তেলেংগানা চৰকাৰে নতুন আঁচনি ঘোষণা কৰিছে। কংগ্রেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে হায়দৰাবাদত ‘তেলেংগানা গিগ ৱৰ্কাৰ্ছ ছ’চিয়েল ছিকিউৰিটি এণ্ড ৱেলফেয়াৰ স্কীম’ৰ শুভাৰম্ভ কৰে।

আঁচনিখনৰ অধীনত গিগ কর্মীসকলে দুর্ঘটনাৰ ক্ষেত্রত সর্বাধিক ৫ লাখ টকাৰ বীমা আৰু অসুস্থতাৰ চিকিৎসাৰ বাবে সর্বাধিক ১০ লাখ টকাৰ স্বাস্থ্য বীমা লাভ কৰিব। ইয়াৰ উপৰি ৰাজ্যখনৰ প্রতিখন চহৰত গিগ কর্মীসকলৰ বাবে ৰাই-ফাইযুক্ত বিশ্রাম কেন্দ্র স্থাপন কৰা হ’ব।

অনুষ্ঠানত তেলেংগানাৰ মুখ্যমন্ত্রী ৰেৱন্ত ৰেড্ডী আৰু উপ-মুখ্যমন্ত্রী ভট্টি বিক্রমার্কাও উপস্থিত থাকে। আঁচনিখনৰ জৰিয়তে দিনটোৰ অধিকাংশ সময় পথত কটোৱা ডেলিভাৰী কর্মীসকলৰ কর্মক্ষেত্রৰ অসুবিধা আৰু আর্থিক অনিশ্চয়তা হ্রাস কৰাৰ লক্ষ্য লোৱা হৈছে।

> তীব্র ৰ’দ, বৰষুণ অথবা পথ দুর্ঘটনাৰ আশংকাৰ মাজতো ডেলিভাৰী কর্মীসকলে কাম কৰি থাকিবলগীয়া হয়। অসুস্থতা বা দুর্ঘটনাৰ ফলত কাম বন্ধ হ’লে তেওঁলোকৰ উপার্জনো বন্ধ হৈ পৰে। এনে পৰিস্থিতিত চিকিৎসাৰ খৰচ বহন কৰাটো তেওঁলোকৰ বাবে কঠিন হৈ পৰে বুলি ৰাহুল গান্ধীয়ে কয়।

নতুন আঁচনিৰ অধীনত প্রতিখন চহৰত স্থাপন হ’বলগীয়া বিশ্রাম কেন্দ্রসমূহত কর্মীসকলে নিজৰ বাইক বা স্কুটাৰ ৰখাৰ লগতে বহি জিৰণি ল’ব পাৰিব। প্রয়োজন অনুসৰি কিছু সময় শোৱাৰ ব্যৱস্থাও থাকিব। ৰাই-ফাইৰ সুবিধাই তেওঁলোকক কামৰ সৈতে জড়িত প্রয়োজনীয়তা পূৰণতো সহায় কৰিব।

ৰাহুল গান্ধীয়ে কয় যে, এতিয়াৰে পৰা গিগ কর্মীসকলে নিজৰ ম’বাইল ফোনতে কিমান যাত্রা সম্পূর্ণ কৰিলে, কিমান কাম কৰিলে আৰু তাৰ বিনিময়ত কিমান ধন লাভ কৰিলে, সেই সম্পূর্ণ তথ্য চাব পাৰিব। ইয়াৰ ফলত নিজৰ উপার্জনৰ হিচাপৰ বাবে আনৰ ওপৰত নির্ভৰ কৰিবলগীয়া নহ’ব।

অনুষ্ঠানৰ পূর্বে ৰাহুল গান্ধীয়ে গিগ কর্মীসকলৰ সৈতে এখন বাইক ৰেলীত অংশগ্রহণ কৰে। হায়দৰাবাদৰ শিলপাৰামমৰ পৰা জয়ভেৰী গ্রাউণ্ডলৈ উলিওৱা এই ৰেলীত মুখ্যমন্ত্রী ৰেৱন্ত ৰেড্ডীও উপস্থিত আছিল। ৰেলীৰ সময়ত ৰাহুল গান্ধীক এগৰাকী ডেলিভাৰী কর্মীৰ স্কুটীৰ পিছৰ আসনত বহি যাত্রা কৰা দেখা যায়।

অনুষ্ঠানত ভাষণ দি ৰাহুল গান্ধীয়ে বিজেপি-আৰএছএছৰ কর্মনীতিৰ সমালোচনা কৰে। তেওঁৰ অভিযোগ, বিজেপি-আৰএছএছৰ চিন্তাধাৰাই গিগ কর্মীসকলক ২৪ ঘণ্টা কাম কৰিবলৈ বাধ্য কৰা আৰু তেওঁলোকৰ শ্রমৰ লাভ বৃহৎ কোম্পানীসমূহে উপভোগ কৰাৰ পৰিৱেশ সৃষ্টি কৰিব বিচাৰে। আনহাতে, কংগ্রেছে শ্রমিকসকলক কেৱল কর্মচাৰী হিচাপে নহয়, অর্থনৈতিক ব্যৱস্থাৰ অংশীদাৰ হিচাপে গঢ়ি তুলিব বিচাৰে বুলি তেওঁ মন্তব্য কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3025/telangana-gig-workers-insurance-scheme